# Field Study :Kaliyoni 29/01/2017

In 2017 department of Assamese organized a field study on Tai Aiton language and Culture of the people of Kaliyoni,Karbi Anglong on 29/01/2017 under the guidance of departmantel faculties Dr. Deepali Bora and Dhruba Kumar Sardar.

**Tai Aiton Language** : The Tai Aiton language belongs to the world's second largest language family that is Sinno-Tibetan.This language is especially found in Karbi Anglong,Assam.It is currently classified as a threatened language,with less than two thousand speaker worldwide.



Students with the guide Dr. Deepali Bora



**Students on Field Study at Kaliyoni**

# Field Study - kalioni

We Selected the kalioni Site for the Purpose of Studying the field included in the degree fourth Semester course in Assamese department of Debraj Roy College under dibrugarh university. For this study we have selected for field trip kalioni under the supervision of Head of the department Deepali Borea Ma'am and Dhruba Site in the initiative of Assamese department The team of about 45 Student of 4th Semester in this field Study in the date of January, 29th, 2017.

Sinno-tibetan, the world's Second largest language family. Tai Aitan Language is one of the most common Language in this Language. People Speaking this Language are especially found in karbi Anglong and Golaghat district of Assam. There are a few villages under karbi Anglong District. They are - chokiHula, Balipathar Bhitor kalioni and Ahomoni Gaón. On the other hand Barhola, Tengani, Dubarani and Boregoan belong to Golaghat district.


Our field Study place was Bhitor kalioni in karbianglong distict. The Purpose of these field Study was mainly - 1. one of the Purposes of Studying this Language is to make tai aitan Language an endangered language.

2. Another purpose of studying the Society, culture of tai Aitans.

At the end of this study, it was found that the tai Aitan Language has changed in the time just like every language. In the Moderen days new words are being used in languages, the influence of other languages can be seen Their educational field is backward than others society In the Socio-cultural field, Religious thought, Popular beliefs, customs have a lot of Influence on the aitans society. However, they are still not economically well-equipped. At the end, They have a lot of research studies on language, culture and society.

→ Sibani Das

**Report on field study submitted by student**



# টাই আইতনসকলৰ সংস্কৃতিৰ স্বৰূপ আৰু বৈশিষ্ট্য

অংকিতা হাজৰিকা,শিৱানী দাস
চয়নিকা বৰা, সংযুক্তা দত্ত
অসমীয়া বিভাগ

**অৱতৰণিকা ঃ**

মানুহৰ ভিতৰত থকা সুক্ষ্ম সৌন্দৰ্য্যবোধৰ অভিব্যক্তিয়েই সংস্কৃতি। সভ্যতাৰ ভিতৰৰ পৰাই সংস্কৃতিৰ বিকাশ হয়। সংস্কৃতিৰ অন্তহীন যাত্ৰাৰ আদিম প্ৰৱণতাই মানুহক উত্তৰণমুখী হোৱাৰ প্ৰেৰণা যোগাই আহিছে। সমাজ আৰু সংস্কৃতি এটা আনটোৰ পৰিপূৰক। মানুহৰ জীৱন পদ্ধতি হ'ল সংস্কৃতি আৰু নিৰ্দিষ্ট জীৱন পদ্ধতিৰ পৰিচায়ক ব্যক্তিৰ সমষ্টিয়েই হ'ল সমাজ। সাধাৰণ অৰ্থত ব্যক্তিৰ সমষ্টিয়েই সমাজ আৰু সমাজৰ অন্তৰ্গত ব্যক্তিৰ আচৰণত প্ৰকাশ পায় সংস্কৃতি। টাই আইতন সমাজ-জীৱন আৰু সংস্কৃতি বিস্তৃতৰূপেৰে সমৃদ্ধ। সংস্কৃতিৰ বিচিত্ৰ ৰূপ বৈশিষ্ট্যৰ আধাৰত ইয়াৰ বিভিন্ন ধৰণৰ প্ৰকাৰ ভেদ সম্ভৱ। এই আলোচনাত টাই আইতানসকলৰ সংস্কৃতিৰ স্বৰূপ বৈশিষ্ট্য সন্দৰ্ভত আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

**বিষয়বস্তুৰ পৰিচয় ঃ**

এছিয়া মহাদেশৰ বিস্তীৰ্ণ অঞ্চলত সিঁচৰিত হৈ থকা মংগোলীয়সকলৰ বৃহৎ ঠাল এটাক তাই নামেৰে জনা যায়। ইন্দো-চীন বৃহৎ অঞ্চলত বসবাস কৰা তাইসকল অসমৰ পৰা আৰম্ভ কৰি কুৱাছিং আৰু য়ুনানৰ ভিতৰ অঞ্চললৈকে বিয়পি আছে। অসমলৈ অহা টাইসকলৰ ভিতৰত এটা অন্যতম ঠাল হৈছে টাই-আইতান। অসমৰ কাৰ্বি আংলং জিলাৰ ভিতৰত কালিয়নী, বালিপাৰ, চকীহোলা, আহোমনী এইকেইখন



আইতন গাঁও। আনহাতে গোলাঘাট জিলাৰ দুবৰণি আৰু বৰগাঁও আইতনসকলে বসবাস কৰে। তেওঁলোক হৈছে দ্বিভাষী। আইতন গোষ্ঠীৰ মাজত টাই ভাষা দৈনন্দিন কাম-কাজত কথ্যভাষা ৰূপে প্ৰচলিত।

**উদ্দেশ্য আৰু গুৰুত্ব ঃ**

**উদ্দেশ্য ঃ**

টাই আইতন ভাষাৰ সংস্কৃতিৰ স্বৰূপ আৰু বৈশিষ্ট্য শীৰ্ষক বিষয়টিৰ অধ্যয়নৰ আঁৰত কেইটামান উদ্দেশ্য অন্তৰ্নিহিত হৈ আছে। সেই উদ্দেশ্যকেইটা হ'ল —

টাই আইতন ভাষাটো যিহেতু বৰ্তমান বিপন্ন ভাষাৰ (endanger language)ৰ শাৰীত ধৰা হয় গতিকে, সেই ভাষাটোৰ আৰু জনগোষ্ঠীটোৰ বিষয়ে জনাৰ আৱশ্যকতা বোধ কৰা হেতুকে এই বিষয়টি নিৰ্বাচন কৰা।

**গুৰুত্ব ঃ**

টাই আইতনসকলৰ সমাজ সংস্কৃতিৰ স্বৰূপ বৈশিষ্ট্য শীৰ্ষক বিষয়টি অধ্যয়ন যথেষ্টখিনি গুৰুত্ব আছে। এটা জাতিৰ ভাষা আৰু সংস্কৃতি দুয়োটা এটা মুদ্ৰাৰে ইপিঠি সিপিঠি। বৰ্তমানে টাই আইতন ভাষাটো বিপন্নতাৰ পথত যাবলৈ আৰম্ভ কৰিছে। গতিকে ভাষাটোৰ বিষয়ে অধ্যয়ন কৰিবলৈ চেষ্টা কৰাই টাই আইতনসকলৰ সমাজ সংস্কৃতিৰো বিশেষ গুৰুত্ব বুলিয়েই এই বিষয় বাচি লোৱা হয়।

**অধ্যয়নৰ পৰিসৰ ঃ**

টাই আইতন ভাষা সংস্কৃতিৰ অধ্যয়নৰ এক বৃহৎ পৰিসৰ আছে যদিও আমাৰ আলোচনা পত্ৰত আইতনসকলৰ সংস্কৃতিৰ স্বৰূপ আৰু বৈশিষ্ট্যৰ বিষয়ে এটি আভাস আগবঢ়োৱা যত্ন কৰা হৈছে।

**অধ্যয়নৰ পদ্ধতি ঃ**


এই অধ্যয়নৰ ক্ষেত্ৰত বৰ্ণনাত্মক আৰু ক্ষেত্ৰ অধ্যয়ন পদ্ধতি ব্যৱহাৰ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে বিভিন্ন গ্ৰন্থ, কাকত, আলোচনীৰ সহায় গ্ৰহণ কৰা হৈছে।

**বিষয়ৰ অৱলোকন ঃ**

আইতনসকলৰ সমাজ জীৱন অতি নিৰহ নিপানী। ধৰ্মীয় আৰু গণতান্ত্ৰিক



**Seminar on Tai Aiton language submitted by student**



| অসমীয়া ৰূপ | আইতন ভাষাৰ ৰূপ |
|---|---|
| | নৌ |
| মাংস | মহ্বা |
| থলুৱা চাটনি | খুদেং |
| নাইল | মৌফা |
| কেৰাহী | কচৌ |
| হেতা | মথাও |
| বতুৱা | মতু |
| চৰিয়া | মেংনাম |
| কলহ | বান. |
| বাতি | খকলৌ |
| খুন্দনা | কং |
| জুহাল | আং |
| কাহী | আংতন |
| বানকাহী | কব |
| গিলাচ | খং |
| পাচি | ভুং |
| ডলা | খংহাং |
| খৰাহী | চাই |
| চেপা | খেই |
| জাল | খৌক |
| জাকৈ | মুং |
| খালৈ | বিত |
| বৰশী | |

**সাজপাৰ আৰু সাজপাৰৰ লগত জড়িত শব্দ ঃ-**

| অসমীয়া ৰূপ | আইতন ভাষাৰ ৰূপ |
|---|---|
| মেখেলা | ছিন |
| চাদৰ | ফাবাই |
| লুঙি | তুং |
| চোলা | চৌ |
| গামোচা | ফাবায় এন |
| বিহু | বাংবাত |



| অসমীয়া ৰূপ | আইতন ভাষাৰ ৰূপ |
|---|---|
| কাপোৰৰ মোনা | থুং |
| পাগুৰি | ফাগ্‌কাহ্য |
| তাঁতশাল | হোক |
| মাকো | তাও |
| বাঁচ | ফৌম |
| মহুৰা | লটমাই |
| সূতা | মাই |
| যঁতৰ | কোংপানলটমাই |
| উঘা | কোংপানমাই |
| মহিলাসকলে কঁকালত পৰিধান কৰা বেল্ট | চাইৰাং |
| ভান্টেসকলে পৰিধান কৰা ৰঙা কাপোৰ | চাংকান |
| ভান্টেসকলে পৰিধান কৰা চোলা | আংকিচেত |

**শৰীৰৰ অংগ ঃ-**

| অসমীয়া ৰূপ | আইতন ভাষাৰ ৰূপ |
|---|---|
| হাত | মুই |
| ভৰি | তিন |
| নখ | লেপ্ তিন |
| মুৰ | হো |
| মুখ | ফোম |
| নাক | চুপ |
| চকু | হোদাং |
| দাঁত | হোইতা |
| কাণ | সিউ |
| ডিঙি | পিৰিউ |
| বাহু | কংখৌ |
| আঁঠু | হোবা |
| আঙুলি | নেইমহ |
| ওঁঠ | পিন্‌দপ |
| চেলাউৰি | খপ্‌তাহ |

# টাই আইতন ভাষাৰ শব্দমালাৰ সংক্ষিপ্ত আলোচনা

অপ্ৰিম কুমাৰ বৰা, বেদাংগ তামুলী
গৌৰীশংকৰ বৰা, জাগ্ৰত প্ৰতিম শইকীয়া
*অসমীয়া বিভাগ*

**অৱতৰণিকা ঃ**

পৃথিৱীৰ দ্বিতীয় সৰ্ববৃহৎ ভাষা পৰিয়াল 'চীন তিব্বতীয় ভাষা পৰিয়াল'ৰ ঠাই চীন শাখাৰ অন্তৰ্গত এটা উল্লেখনীয় ভাষা হ'ল টাই আইতন ভাষা। এই ভাষাৰ লোকসমূহ প্ৰধানকৈ দক্ষিণ-পূব এছিয়াৰ পৰা প্ৰব্ৰজন কৰি অসমলৈ আহি ইয়াত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। ওঠৰশ শতিকাৰ শেষ ভাগত আইতন ভাষীৰ লোকসকলৰ অসমলৈ আগমন ঘটিছিল।

**বিষয়বস্তুৰ পৰিচয় ঃ**

চীন-তিব্বতীয় ভাষা পৰিয়ালৰ থাই তীন শাখাৰ অন্তৰ্গত টাই আইতন ভাষাটো এটি বিপন্ন ভাষা (endanger language) হিচাপে পৰিগণিত হৈছে। ডঃ গ্ৰিয়াৰ্ছন চাহাবৰ শ্ৰেণী বিভাজন অনুসৰি টাইসকলৰ উত্তৰীয় (Nothern) শাখাৰ অন্তৰ্গত টাই আইতন ভাষা ভাষী লোকসকল অসমৰ কাৰ্বি আংলং জিলা আৰু গোলাঘাট জিলাত প্ৰধানকৈ পোৱা যায়। কাৰ্বি আংলং জিলাৰ অন্তৰ্গত গাঁওকেইখন হ'ল — চকীহোলা, বালিপথাৰ, ভিতৰ কালিয়নী আৰু আহোমনী আইতন গাঁও। আনহাতে ৰৰহোলা, টেঙানি, দুবৰণি আৰু বৰগাঁও গোলাঘাট জিলাৰ অন্তৰ্গত। টাই আইতন ভাশা শব্দ ভাণ্ডাৰৰ দিশত চহকী যদিও ভাষাটোৰ ভাষিক জনসংখ্যা সংখ্যাত নিচেই সীমিত আৰু বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে তথাপি শব্দগত দিশৰ পৰা ভাষাটোৰ প্ৰাচুৰ্য



মন কৰিবলগীয়া। টাই আইতন ভাষাটো সুৰীয়া (Tonal) আৰু একাক্ষৰী (Mono-Syllobic) ভাষা। ভাষাটোৰ শব্দমালাৰ অধ্যয়নৰ পৰা আইতন জনগোষ্ঠীৰ সাংস্কৃতিক পৰিমণ্ডলৰ লগতে ব্যৱহাৰিক জীৱনত প্ৰয়োগ হোৱা শব্দসমূহলৈকে এক বিস্তৰ ভাণ্ডাৰ পোৱা গ'ল। অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰৰ সহায়ত আইতন জনগোষ্ঠীৰ ভালেমান শব্দ উন্মোচন কৰিব পৰা গ'ল।

**উদ্দেশ্য আৰু গুৰুত্ব ঃ**

**উদ্দেশ্য ঃ**

টাই আইতন ভাষাৰ শব্দমালা শীৰ্ষক বিষয়টি অধ্যয়নৰ আঁৰত কেইটিমান উদ্দেশ্য নিহিত হৈ আছে। সেই উদ্দেশ্যসমূহ হ'ল এনেধৰণৰ ঃ

টাই আইতন ভাষাটো বিপন্ন শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা হেতুকে ভাষাটোৰ বিষয়ে অধ্যয়ন কৰাটোৱেই অধ্যয়নৰ প্ৰধান উদ্দেশ্য।

দ্বিতীয়তে চীন-তিব্বতীয় থাই চীন শাখাৰ অন্তৰ্গত সুৰীয়া একাক্ষৰী টাই আইতন ভাষাৰ প্ৰতি থকা কৌতুহল উপশমৰ উদ্দেশ্য সংশ্লিষ্ট বিষয়টি নিৰ্বাচন কৰা হ'ল।

অসমীয়া ভাষা সাহিত্যৰ স্নাতক মহলাৰ ছাত্ৰ হিচাপে আইতন ভাষাৰ অন্তৰ্গত শব্দ ভাণ্ডাৰৰ সম্পৰ্কে অধ্যয়ন কৰাই এই আলোচনা পত্ৰৰ প্ৰধান উদ্দেশ্য।

**গুৰুত্ব ঃ**

টাই আইতন ভাষাৰ শব্দমালা শীৰ্ষক বিষয়টি যথেষ্ট গুৰুত্ব আছে। যিহেতু শব্দমালাই ভাষা এটাৰ পৰিবৰ্ধনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু যিমান শব্দৰ সংখ্যা বৃদ্ধি হয় সিমানেই ভাষাটোৰ অধিক অৰ্থবাহক হৈ পৰে। তদুপৰি অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰৰ সমান্তৰালকৈ আইতন ভাষাত কেনেধৰণৰ শব্দ প্ৰয়োগ হৈ আহিছে সেই বিষয়ে অধ্যয়ন কৰাবো প্ৰয়োজনীয়তা আছে। সেয়ে নিৰ্বাচিত বিষয়টিৰ অধ্যয়ন ভাষা অধ্যয়ন ভাষা সাহিত্যৰ ছাত্ৰ-ছাত্ৰীৰ বাবে গুৰুত্ব।

**অধ্যয়নৰ পৰিসৰ ঃ**

টাই আইতন ভাষাৰ অধ্যয়নৰ এক বৃহৎ পৰিসৰ। আমাৰ ক্ষুদ্ৰ আলোচনা পত্ৰত অধ্যয়নৰ বাবে কেৱল টাই আইতন ভাষাৰ শব্দমালাহে গ্ৰহণ কৰা হৈছে। এই পৰিসৰত সম্বন্ধবাচক শব্দ, সংখ্যাবাচক শব্দ, খাদ্যভাস, সম্পৰ্কীয় শব্দ, সাজপাৰ আদি শব্দৰ বিষয়ে অধ্যয়ন কৰা হৈছে।



**Seminar paper submitted by a group of students**

শুকান মাছ বা শুকান গাহৰি মাংস আদি ব্যৱহাৰ কৰে।

**কেঁচুৱা জন্ম হ'লে কৰা নিয়ম**

কেঁচুৱা জন্ম হোৱাৰ পিছত সাত দিনলৈকে বন্ধা-বঢ়া নকৰে। সাতদিনৰ দিনা মাজনিশা ১/২ মান বজাত কেঁচুৱাটো ভূমিস্পৰ্শ কৰাই আৰু নাম দিয়ে। নামৰ প্ৰথম আখৰটো ধৰ্মীয় গুৰুৱে ৰাখে। তেওঁলোকৰ এই নিয়মটো 'খাওচি লুক্কেন' নামে জনা যায়।

**বিবাহ পদ্ধতি**

প্ৰত্যেক জাতি-জনগোষ্ঠীৰে বিবাহ পদ্ধতি থকাৰ দৰে আইতনসকলৰো বিবাহৰ সুকীয়া পদ্ধতি আছে। আইতনসকলৰ সামাজিক ৰীতি অনুযায়ী খোজা বঢ়া কৰি বিয়া পতা হয়। দৰাঘৰে ছোৱালী পচন্দ কৰি ঘটকৰ জৰিয়তে বিবাহ ঠিক কৰা হয় আৰু তামোল-পাণ দি আনুষ্ঠানিকভাৱে বিয়াৰ কথা ঘোষণা কৰা হয়। বিয়াৰ দিনা দৰাঘৰে কইনাঘৰক এথোকা তামোল দিয়ে তামোলথোক ম'হৰ শিঙৰ দৰে কাটি অনা হয়। কইনাৰ দেউতাকে ছোৱালীজনীৰ বিনিময় হিচাপে গা-ধন বিচাৰে আৰু গা-ধন কইনাৰ মোমায়েকৰ পৰিয়ালৰ মানুহে ল'ব পাৰে। আইতনসকলৰ নিয়মত মোমায়েকৰ জীয়েকক বিয়া কৰোৱা পৰম্পৰাগত নিয়ম আছে। যদিহে মোমায়েকৰ কোনো জীয়েক নাথাকে তেতিয়া অন্য ছোৱালী বিয়া কৰাব পাৰে আৰু মোমায়েকৰ জীয়েক থকা অৱস্থাত যদি অন্য ছোৱালী বিয়া কৰাই তেতিয়া জৰিমণা ভৰিবলগীয়া হয়। বিয়াৰ সকলো নীতি-নিয়ম শেষ হোৱাৰ পাছত সমাজে দৰা-কইনাক আশীৰ্বাদ দিয়ে আৰু দুয়োৰে হাতত কেঁচা সূতা চাৰি পাককৈ বান্ধে লগতে উপহাৰ হিচাপে যি আনে তাকে দিয়ে। বিয়াৰ দিনা দৰাঘৰে খাদ্যৰ বাবে যিমানখিনি প্ৰয়োজন হয় সকলোখিনি কইনাৰ ঘৰত যোগান ধৰাৰ লগতে খাদ্য প্ৰস্তুত কৰিবলৈ মানুহ লৈ আহে।

বিয়াৰ সাতদিনৰ পাছত আঠমঙলা খাবলৈ অহাৰ নিয়ম আছে আৰু তেতিয়া ডাঙৰক হাত ধুৱাই সেৱা কৰি মানধৰা হয়।

**মৃতদেহ সংকাৰ**

আন জাতিৰ দৰে আইতনসকলৰো মৃতদেহ সংকাৰৰ সুকীয়া নীতি-নিয়ম আছে। তেওঁলোকে মৃতকক দাহ নকৰেস মৈদাম দিয়ে। মৃতকৰ মৃত্যুৰ দিনাৰ পৰা ঘৰৰ খিৰিকী, দৰ্জা যিমান আছে সাতদিন মানলৈকে মেলি থোৱা হয় যাতে মৃতকৰ আত্মা ঘৰৰ ভিতৰৰ পৰা ওলাই যায়। সেই সাতদিন পুথি পঢ়ে। মৃতকক পশ্চিম ফালৰ দৰ্জাইহে উলিয়াই নিয়া নহয়। যদি মৃতক বিবাহিত হয় তেতিয়া তেওঁক দুডাল বাঁহত



বান্ধি মৈদাম দিবলৈ নিয়া হয়। যদিহে মৃতক অবিবাহিতা হয় তেন্তে এডাল বাঁহত বান্ধি নিয়া হয়। মৃতকৰ মৈদামত তেওঁৰ প্ৰয়োজনীয় সকলো সা-সামগ্ৰী লগত দিয়া হয়।

**উপসংহাৰ**

ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যোৱা ভিতৰত কালিয়নী গাঁওখনৰ যোগেদি গম পোৱা গ'ল যে তেওঁলোকৰ মাজত বৰ্তমানে ভাতৃত্ববোধৰ মনোভাব বৰ্তি আছে আৰু লগতে দেখিবলৈ পোৱা গ'ল যে আধুনিকতাই তেওঁলোকৰ সমাজ সংস্কৃতিত কোনোধৰণে প্ৰভাৱান্বিত কৰিব পৰা নাই। শিক্ষাৰ ক্ষেত্ৰত বৰ্তমানো সেই ঠাই লোকসকল অনগ্ৰসৰ হোৱা দেখিবলৈ পোৱা গ'ল। তেওঁলোকৰ অৰ্থনৈতিক অৱস্থাও সুচল নহয়।

**সিদ্ধান্ত**

ক্ষেত্ৰ অধ্যয়নৰ যোগেদি এটা সিদ্ধান্তত উপনীত হ'লো যে —

কালিয়নী গাঁওখনৰ মহিলাসকল বয়ন শিল্পৰ ক্ষেত্ৰত পাৰ্গত আৰু যদিহে তেওঁলোকে এই বয়নশিল্পক বহিৰাগত বজাৰলৈ বিক্ৰীৰ বাবে এৰি দিয়ে তেনেহ'লে মহিলাসকলে আৰ্থিকভাৱে যথেষ্ট পৰিমাণে স্বাৱলম্বী হ'ব পাৰিব।